**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-06-2026
**Time :** 1:40 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা- নীট ইউ জি ২০২৬ আজি কিছুসময় পাছতে আৰম্ভ হ'ব।

২। দেশে বিদেশে আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মধ্যপ্ৰদেশৰ জবলপুৰত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ যোগ দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতবৰ্ষ, জাহাজ নিৰ্মাণ খণ্ডত নতুন দৃষ্টিভংগীৰ দিশে অগ্ৰসৰ হৈছে।

আৰু

৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ-এফৰ এখন খেলত জাপানে টিউনিছিয়াক ৪-০ গ'লত পৰাস্ত কৰে।

০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা- নীট ইউ জি ২০২৬ৰ আজি কিছুসময় পাছতে আৰম্ভ হ'ব। এই পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থীৰ সংখ্যা ২২ লাখ ৭৯ হাজাৰ। পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই জেমাৰ, চিচিটিভি আৰু বায়'মেট্ৰিক্স ব্যৱস্থাৰ কাৰ্যকাৰিতা পৰীক্ষাৰ বাবে কালি দেশজুৰি মকড্ৰিলৰ আয়োজন কৰে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই এটা বিবৃতিযোগে সংস্থাটো পৰীক্ষা নিকা, স্বচ্চ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু হোৱা বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি প্ৰশ্নকাকত আৰু প্ৰশ্নোত্তৰ বহী সুৰক্ষা কৰি ৰখা প্ৰক্ৰিয়াটোত অৰ্ধসামৰিক বাহিনীক নিয়োজিত কৰা হৈছে। ইয়াৰ উপৰি সামাজিক মাধ্যমৰ গতিবিধি লক্ষ্য কৰাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ তদাৰক সমিতি গঠন কৰা হৈছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্যপ্ৰদেশৰ জবলপুৰত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। জবলপুৰৰ গেৰিচন গ্ৰাউণ্ডত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ যোগ দিৱসৰ অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ লগতে ৰাজ্যপাল মংগুভাই পেটেল আৰু মুখ্যমন্ত্ৰী মোহন যাদৱেও অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে যোগ হৈছে ভাৰতৰ মহান পৰম্পৰা। তেওঁ কয়, যে যোগে মানুহৰ স্বাস্থ্যৱান আৰু নিয়ন্ত্ৰিত তথা অৰ্থপূৰ্ণ জীৱনৰ মানৱীয় পথ দেখুওৱায়। যোগ হৈছে হাজাৰ বছৰ ধৰি ভাৰতৰ সাধু-সন্যাসীসকলে কৰি অহা শাৰীৰিক আৰু মানসিক অনুশীলনৰ ফল। তেওঁ কয়, যে ব্যক্তিৰ সৈতে সমাজ জীৱন আৰু সমাজৰ সৈতে প্ৰকৃতিৰ মাজত সংযোগ স্থাপনৰ বাবে যোগ হৈছে এটা শক্তিশালী মাধ্যম। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে ভাৰতৰ আহ্বানত ২০১৪ চনত প্ৰথমবাৰলৈ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২১ জুনৰ দিনটো যোগ দিৱস হিচাপে ঘোষণা কৰে।

**বাইট (ৰাষ্ট্ৰপতি)**

ৰাষ্ট্ৰপতিগৰাকীয়ে এইবাৰ যোগ দিৱসৰ মূল বিষয়বস্তু- সুস্থ বাৰ্ধ্যকৰ বাবে যোগ সন্দৰ্ভত আলোকপাত কৰি জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্যসন্মত, আত্মনিৰ্ভৰ আৰু মৰ্যাদাপূৰ্ণ জীৱনত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে যোগে মানসিক শান্তি আৰু আৰেগিক নিৰাপত্তা প্ৰদান কৰে। জীৱন শৈলীজনিত ৰোগ প্ৰতিহত কৰাত যোগে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰে বুলিও শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। ভাৰত চৰকাৰে যোগ শিক্ষা, গৱেষণা, প্ৰশিক্ষণ আৰু জন সজাগতা সৃষ্টিৰ ক্ষেত্ৰত নিৰৱচ্ছিন্নভাৱে কাম কৰি অহাৰ কথাও তেওঁ প্ৰকাশ কৰে। যোগক দৈনন্দিন জীৱনৰ এক অংগ বুলি গ্ৰহণ কৰিবলৈ সকলো নাগৰিকৰ প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে ইয়াৰ জৰিয়তে স্বাস্থ্যৱান ব্যক্তি, স্বাস্থ্যৱান পৰিয়াল, সুস্থ সমাজ, সুস্থ দেশ তথা সুস্থ বিশ্ব গঢ়ি তুলিব পাৰি।

অনুষ্ঠানৰ পাছতে তেওঁ ৰাণী দুৰ্গাবতী বিশ্ববিদ্যালয়ৰ ৩৬ সংখ্যক সমাৰ্বতন সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই একেটা অনুষ্ঠানতে ৰাজ্যপাল শ্ৰীমতী পেটেলো উপস্থিত থাকে। কাইলৈ ৰাষ্ট্ৰপতিগৰাকী কুনো ৰাষ্ট্ৰীয় উদ্যানত চহৰীয়া জনজাতীয় সম্প্ৰদায়ৰ লোক, চিতাবাঘৰ তদাৰক কৰা কৰ্মী আৰু উদ্যানখনৰ কৰ্মচাৰীসকলক সাক্ষাৎ কৰিব।

০০০০

দেশে বিদেশে আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা পশ্চিমবংগৰ কলকাতাৰ ৰেড ৰোডত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত অংশ লয়। এই উপলক্ষে শ্ৰী মোদীয়ে কয়, যে যোগাভ্যাসৰ বাবে বছৰৰ আটাইতকৈ দীঘল দিন, ২১ জুনৰ দিনটো সৰ্ববৃহৎ সামূহিক উদযাপনৰ দিৱস হৈ পৰিছে। তেওঁ কয়, যে যোগ অকল শাৰীৰিক ব্যায়ামেই নহয়, বৰঞ্চ মানৱীয় উদ্যমৰো অভিব্যক্তি। তেওঁ কয়, যে ৪০ বছৰ বয়সত ২০ বছৰৰ দৰে নমনীয় আৰু ৫০ বছৰত ৩০ বছৰ বয়সতকৈও অধিক প্ৰাণৱন্ত হৈ থকাটো আমাৰ লক্ষ্য হোৱা উচিত। যোগাভ্যাসে সন্তুলিতভাৱে জীৱন ধাৰণত আৰু মানসিক স্বাস্থ্যৰ জৰিয়তে শাৰীৰিক সুস্থতাৰ পথ অন্বেষণত সহায় কৰে বুলি তেওঁ মন্তব্য কৰে।

সাংস্কৃতিক মন্ত্ৰালয়ৰ উদ্যোগত আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস দেশৰ চহকী সাংস্কৃতিক ঐতিহ্য বিজড়িত মুঠ এশটা ঐতিহাসিক স্থানত অনুষ্ঠিত হয়। নতুন দিল্লীৰ লালকিল্লা, উত্তৰাখণ্ডৰ হৰিদ্বাৰ, ওড়িশাৰ কোনাৰ্ক, কৰ্ণাটকৰ হাম্পী, তামিলনাডুৰ মহাবলীপুৰম, মহাৰাষ্ট্ৰৰ মুম্বাই, বিহাৰৰ নালন্দা, গুজৰাটৰ আহমেদাবাদ, উত্তৰ প্ৰদেশৰ সাৰনাথ, তেলেংগানাৰ হায়দৰাবাদ, লাডাখৰ লেহ আৰু অসমৰ শিলচৰত এই কাৰ্যসূচী অনুষ্ঠিত হয়।

আইন আৰু ন্যায় মন্ত্ৰালয়ৰ অধীনত বিধায়িনী বিভাগৰ তৰফৰ পৰা ইয়াৰ জ্যেষ্ঠ বিষয়া আৰু কৰ্মচাৰীসকলৰ অংশগ্ৰহণেৰে আজি নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। এই অনুষ্ঠানত বিধায়িনী আৰু আইন পৰিক্ৰমা বিভাগৰ সচিব ড০ ৰাজীৱ মনিয়ে প্ৰাত্যহিক জীৱনত যুগৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতবৰ্ষ, জাহাজ নিৰ্মাণ খণ্ডত নতুন দৃষ্টিভংগীৰ দিশে অগ্ৰসৰ হৈছে। থলুৱাভাৱে নিৰ্মিত **আই এন এছ ডুনাগিৰি, আই এন এছ অগ্ৰয়** আৰু **আই এন এছ সংশোধক** নামৰ জাহাজকেইখন আজি কলকাতাত আয়োজিত এটা অনুষ্ঠানত ভাৰতীয় নৌ সেনাৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰি তেওঁ এইদৰে কয়। সমুদ্ৰ পথৰ অভিযান শক্তিশালী কৰি তোলা, সামুদ্ৰিক জৰীপ আৰু ছাবমেৰিণৰ আক্ৰমণ প্ৰতিহত কৰাৰ লক্ষ্যৰে নৌ সেনাৰ যুদ্ধ জাহাজৰ আৰ্হি প্ৰস্তুতকৰণ ব্যুৰোৱে আৰ্হি প্ৰস্তুত কৰা এই জাহাজকেইখন Garden Reach Shipbuilders and Engineers নামৰ প্ৰতিষ্ঠানটোৱে নিৰ্মাণ কৰি উলিয়াইছে।

অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে শেহতীয়া কেইটামান বছৰত কেন্দ্ৰীয় চৰকাৰে নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত ভালেমান সংশোধনী ঘটাইছে। থলুৱাভাৱে নিৰ্মাণৰ সামৰ্থ্য বৃদ্ধি কৰাৰ বাবেও ভালেমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে শেহতীয়া সময়ছোৱাত জাহাজ নিৰ্মাণ, জাহাজৰ মেৰামতি তথা চোৱাচিতা, অভিযান আদি দিশৰ প্ৰতি বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে।

(বাইট)

এই নতুন যুদ্ধ জাহাজকেইখনৰ সেৱা মুকলি কৰাটোৱে ভাৰতবৰ্ষৰ ভৱিষ্যতৰ এটা নতুন দিশৰ সূচনা কৰে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে দেশৰ সামুদ্ৰিক খণ্ডক উন্নত ভাৰতৰ কৰ্মসংস্থাপন সৃষ্টিৰ উৎস হিচাপে গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত আহিবলগীয়া সময়ত ভাৰতৰ সামুদ্ৰিক খণ্ডত কেইবালাখ নতুন সংস্থাপনৰ সৃষ্টি হ'ব। দেশত প্ৰতিৰক্ষা খণ্ডৰ নিৰ্মাণৰ মাত্ৰা বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে প্ৰতিৰক্ষামূলক সঁজুলিৰ ৰপ্তানিৰ হাৰো অভূতপূৰ্বভাৱে বৃদ্ধি পোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে ২০১৪ চনলৈ ভাৰতে প্ৰায় ৭০০ কোটি টকা মূল্যৰ প্ৰতিৰক্ষা সঁজুলি ৰপ্তানি কৰিছিল যদিও সম্প্ৰতি এই পৰিমাণ পূৰ্বতকৈ প্ৰায় ৪০ কোটি টকা বৃদ্ধি পাইছে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে **আই এন এছ ডুনাগিৰি, আই এন এছ অগ্ৰয়** আৰু **আই এন এছ সংশোধক** নামৰ জাহাজ তিনিখনক নৌ সেনাৰ সৈতে চামিল কৰিবলগীয়া সময়খিনি ভাৰতৰ সমুদ্ৰপথৰ সামৰ্থ্যৰ উন্নয়নৰ দিশত অতিশয় গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে, অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মিত এই জাহাজকেইখনক আত্মনিৰ্ভৰ ভাৰতৰ দিশে দেশৰ প্ৰতিৰক্ষা খণ্ডৰ শক্তিশালী নিৰ্মাণতন্ত্ৰৰ দৃষ্টান্ত বুলি অভিহিত কৰে। তেওঁ লগতে কয়, যে ভাৰতৰ ৰাষ্ট্ৰীয় স্বাৰ্থক সুৰক্ষিত কৰাৰ লগতে সামগ্ৰিকভাৱে ভাৰত মহাসাগৰৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবেও এই জাহাজকেইখন সততে প্ৰস্তুত হৈ থাকিব।

০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি কানাডাৰ টৰ'ণ্টত অনুষ্ঠিত এখন খেলত জাৰ্মানীয়ে আইভৰি কষ্টক ২-১ গ'লত পৰাস্ত কৰি নকআউট পৰ্যায়ত স্থান নিশ্চিত কৰে। খেলখনত জাৰ্মানীৰ হৈ ডেনিজ উণ্ডাভেই দুয়োটা গ'ল দিয়ে। ইপিনে ইকুৱেডৰ আৰু কুৰাচাঅ'ৰ মাজত কানছাছত অনুষ্ঠিত খেলখন গ'ল শূন্যভাৱে অমিমাংসীত হৈ ৰয়। প্ৰতিযোগিতাৰ গ্ৰুপ-এফৰ এখন খেলত জাপানে টিউনিছিয়াক ৪-০ গ'লত পৰাস্ত কৰে।

ইফালে যোৱা নিশা আমেৰিকা যুক্তৰাষ্ট্ৰ হাষ্টনত অনুষ্ঠিত গ্ৰুপ-এফৰ এখন খেলত নেডাৰলেণ্ডছে ছুইডেনক অনায়াসে ৫-১ গ'লত পৰাস্ত কৰে। কালি অনুষ্ঠিত আন এখন খেলত ব্ৰাজিলে হেইটীক ৩-০ গ'লত পৰাভূত কৰে।

০০০০

সমাপ্ত